জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৩/২০২১

**গুৱাহাটীৰ ধাৰাপুৰত পাঞ্জাৱ নেশ্বনেল বেংকৰ সৌজন্যত আয়োজিত বৃহৎ ঋণ মেলাত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ**

# ঋণ লাভৰ প্ৰক্ৰিয়া সুচলতৰ কৰাৰ বাবে 'ইজ অৱ গেটিং লোণ'ৰ পদক্ষেপ লোৱাৰ বাবে বেংকসমূহৰ প্ৰতি মুখ্যমন্ত্ৰীৰ আহ্বান

## দুৰ্নীতিমুক্ত অসম গঢ়াৰ বাবে লোৱা পদক্ষেপৰ ফলশ্ৰুতিত আজি প্ৰশাসন ব্যৱস্থাই মুক্তভাৱে উশাহ-নিশাহ ল'বলৈ সক্ষম হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৭ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ ধাৰাপুৰত পাঞ্জাৱ নেশ্বনেল বেংকৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ সৌজন্যত আয়োজিত বৃহৎ ঋণ মেলাত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন কল্যাণকামী আঁচনিৰ হিতাধিকাৰীসকলৰ মাজত ঋণৰ অনুমোদন পত্ৰ বিতৰণ কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে বেংকটোৰ কামৰূপ মণ্ডল কাৰ্যালয়, মাণ্ডলিক অডিট কাৰ্যালয় আৰু পি এন বি লোণ পইণ্টো আনুষ্ঠানিকভাৱে মুকলি কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নিজৰ আত্মসন্মান ৰক্ষাৰ বাবে আমি সকলো আত্মনিৰ্ভৰশীল হোৱাটো জৰুৰী। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই অসমৰ যুৱক-যুৱতী, মহিলা আৰু বিভিন্ন কৰ্মক্ষেত্ৰৰ প্ৰতি আগ্ৰহীসকলক ঋণ প্ৰদানৰ জৰিয়তে স্বাৱলম্বী কৰি তোলাৰ বাবে পাঞ্জাৱ নেশ্বনেল বেংকে বিগত দিনসমূহত লৈ অহা ভূমিকাৰ বাবে বেংকৰ কৰ্তৃপক্ষৰ শলাগ লৈ আজিৰ ঋণ হিচাপে আগবঢ়োৱা প্ৰতিটো টকাৰে যাতে সুপ্ৰয়োগ হয় সেই দিশতো চকু ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে বেংকটোৰ প্ৰতি আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে ঋণ লোৱা দিনটোৰ পৰা প্ৰতিটো মূহূৰ্ত এই টকা উৎপাদনমুখী কাম-কাজত প্ৰয়োগ কৰি সময়মতে ঋণ পৰিশোধৰ বাবে আগবাঢ়ি আহিবলৈ হিতাধিকাৰীসকলৰ প্ৰতি আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লক্‌ডাউনৰ সময়ত ঘোষণা কৰা ২০ লাখ কোটি টকাৰ আত্মনিৰ্ভৰ ভাৰত পেকেজৰ দ্বাৰা যাতে অসম সৰ্বাধিকভাৱে লাভান্বিত হয় তাৰ বাবে ৰাজ্য চৰকাৰে সম্ভৱপৰ সকলো পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইতিমধ্যে ৰাজ্যৰ প্ৰায় ১ লাখ অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে এই পেকেজৰ পৰা ২ হাজাৰ কোটি টকাৰো অধিক ঋণ লাভ কৰিবলৈ সক্ষম হৈছে। সেইদৰে মৎস্য খণ্ডৰ বাবে ঘোষণা কৰা ২০ হাজাৰ কোটি টকাৰ পেকেজৰ পৰাও যাতে ৰাজ্যখনে এটা শকত অংশ লাভ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে আঁচনি দাখিল কৰিছে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

২০১৬ চনত শাসনভাৰ লোৱাৰ পিছৰে পৰা প্ৰশাসনক দুৰ্নীতিমুক্তকৰণৰ জৰিয়তে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে জনসাধাৰণক প্ৰাপ্য অধিকাৰ প্ৰদানৰ বাবে কাম কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ ফলত ৰাজ্যৰ শাসন ব্যৱস্থাই আজি মুকলিভাৱে উশাহ-নিশাহ ল'বলৈ সক্ষম হৈছে। দৰিদ্ৰ যুৱক-যুৱতীয়ে নিজৰ মেধা আৰু নিষ্ঠাৰ বলত উচ্চ পদত নিযুক্তি পাবলৈ সক্ষম হৈছে। বিগত চাৰে চাৰি বছৰত ৰাজ্যখনত নিৰ্মাণ হোৱা ২০ হাজাৰ কিঃমিঃৰো অধিক পথ আৰু ২ হাজাৰৰো অধিক পকী দলঙে ৰাজ্যত সম্ভৱ হোৱা সুপ্ৰশাসনৰ চানেকি দাঙি ধৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

দেশৰ কৃষকৰ উপাৰ্জন ২০২২ চনৰ ভিতৰত দুগুণলৈ বৃদ্ধি কৰাৰ লক্ষ্য আগত লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰখনে কৃষকৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে একেই উদ্দেশ্যৰে ৰাজ্য চৰকাৰেও মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ৰাজ্যৰ ২৬ হাজাৰ খন গাঁৱৰ কৃষি আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। নিষ্ঠা, সততা, একাগ্ৰতা আৰু কঠোৰ পৰিশ্ৰমেৰে ৰাজ্যৰ কৃষকে উৎপাদন শক্তি বৃদ্ধি কৰি চুবুৰীয়া ৰাজ্যসমূহৰ লগতে দক্ষিণ-পূব এছিয়াৰ বৃহৎ বজাৰখনো দখলৰ বাবে অগ্ৰসৰ হ'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ৰাজ্যৰ যুৱক-যুৱতীসকলক স্ব-নিয়োজনৰ বাবে অধিক আগ্ৰহী কৰি তোলাৰ স্বাৰ্থত 'ইজ অৱ ডুয়িং বিজনেছ'ৰ আৰ্হিত 'ইজ অৱ গেটিং লোণ', অৰ্থাৎ ঋণ লাভৰ প্ৰক্ৰিয়াটো সহজসাধ্য কৰি তুলিবলৈ মুখ্যমন্ত্ৰীয়ে পাঞ্জাৱ নেশ্বনেল বেংকৰ লগতে বেংকসমূহৰ প্ৰতি আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যৰ ২৬ হাজাৰখন গাঁও, ১৫০০ চাহ বাগিচা আৰু ৯৮ খন চহৰক সামৰি ৰাইজৰ মাজত বিত্তীয় সজাগতা সৃষ্টিৰ বাবে জিলা প্ৰশাসন তথা জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সহযোগত আলোচনা চক্ৰ তথা সজাগতা কাৰ্যসূচীৰ আয়োজন কৰিবলৈ বেংকৰ প্ৰতি আহ্বান জনায়। এই কাৰ্যসূচীত ৰাজ্যৰ বেংকসমূহৰ সকলো শাখাকে জড়িত কৰিবলৈও তেওঁ কৰ্তৃপক্ষৰ প্ৰতি আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে যুৱ উদ্যোগী জ্যোতিষ তালুকদাৰ আৰু তেওঁৰ সহযোগীসকলে ১ লাখৰো অধিক মীন পালকক সংগঠিত কৰি ৰাজ্যৰ মৎস্য খণ্ডৰ উত্তৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰো শলাগ লয়। এনে উদ্যোগে ৰাজ্যখনৰ সহস্ৰাধিক যুৱক-যুৱতীক আকৰ্ষিত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ অনুষ্ঠানতে পাঞ্জাৱ নেশ্বনেল বেংকৰ সামাজিক দায়বদ্ধতা কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ২৫ লাখ টকাৰ চেক মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰা হয়।

পাঞ্জাৱ নেশ্বনেল বেংকৰ উত্তৰ-পূব মণ্ডলৰ মাণ্ডলিক প্ৰধান এছ এছ সিঙে আদৰণী ভাষণ প্ৰদান কৰা এই সভাত অগ্ৰণী যুৱ উদ্যোগী, কলং-কপিলী স্বেচ্ছাসেৱী সংস্থাৰ অন্যতম প্ৰতিষ্ঠাপক জ্যোতিষ তালুকদাৰেও ভাষণ প্ৰদান কৰি নিজৰ সফলতাৰ অৱলোকনেৰে বক্তব্য আগবঢ়ায়।

আজিৰ এই অনুষ্ঠানত পাঞ্জাৱ নেশ্বনেল বেংক, নাবাৰ্ডৰ বিষয়াববীয়াসকলৰ লগতে হিতাধিকাৰীসকলে অংশগ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ**
**৭/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in